# ইন্টিকাবুৰ ৰহমানৰ কবিতা

*Issue: Vol. V, No. 2, August-October, 2026*

### প্ৰেমৰ বুকু

হতাশাভৰা চকু দুটাত
সৌন্দৰ্য দেখিছিলোঁ।
হৃদয় উজুটি খোৱা।
নহঁহা হাঁহিটিয়ে
বুকু বিন্ধিছিল
প্ৰেমৰ বুকু

### সীমা

সপোনৰো এটা সীমা থাকে।
দিঠক হ'ল তাৰেই সীমাৰেখা।
সপোনত জোনৰ পিঠিত উঠি
কবিতা গাব পাৰি
কিন্তু জোন হ'ব নোৱাৰি।
নুবুজিলে তুমি হ'বা
শৰশয্যাত ভীষ্মক দেখিও
ৰাজপাটৰ সপোন দেখা দুৰ্যোধন।